# খাদ্য সুৰক্ষা আইনৰ বিষয়ে অলপ জানো আহক

UKaid
from the British people

actionaid

# খাদ্য সুৰক্ষা আইনৰ বিষয়ে অলপ জানো আহক

UKaid
from the British people

actionaid

*Khadya Surakshya Aainar Bishaye Alap Jaanu Aahok*, a booklet on National Food Security Act, 2013, is expected to be of use of NGOs and civil society organisations working with vulnerable populations across the country but more specifically those living in the states of India's North East.

---


Summarised by : Nayan B.

Published by : **ActionAid India,** 2 B, Mandovi Apartments, Ambari, Guwhati-781001, under International NGOs Partnership Agreement Programme (IPAP), implemented with support from Department of International Development (DFID), Government of United Kingdom.

Year : 2013



This handbook may be reproduced in part or full by any individual or organisation for the benefit of citizens of the country, with due acknowledgement of the source.


ActionAid seeks apology for any inadvertant errors that may have crept in during compilation of the booklet.


Printed at : **Gung-Ho Ventures**
Ulubari, Guwahati-7
Ph.: +91 8876036381
E-mail: zekrulsaad@gmail.com

# সূচীপত্র


১। খাদ্য সুৰক্ষা আইনৰ বিষয়ে অলপ জানো আহক............... ১

২। খাদ্য কি সুৰক্ষা কি?........................................................ ৩

৩। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা বিধেয়ক-২০১৩ ..................................... ৬

৪। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা বিধেয়কত উত্থাপিত মূল......................... ৭
বিষয়কেইটা

৫। উত্তৰ পূবৰ ৰাজ্যসমূহলৈ খাদ্য শস্যৰ আবণ্টন .................... ১০

৬। খাদ্য সুৰক্ষা আইন সাফল্যমণ্ডিত কৰাৰ বাবে ৰখা .............. ১২
কেতবোৰ ব্যৱস্থা (ছেকচন ৩১)

৭। খাদ্য সুৰক্ষাৰ বাবে হিতাধিকাৰীৰ নিৰ্বাচন........................... ১৩

৮। লক্ষ্য নিৰ্ধাৰিত ৰাজহুৱা বিতৰন সংস্কাৰ সাধন ..................... ১৪

৯। নাৰী সবলীকৰন............................................................... ১৫

১০। আপত্তি নিস্পত্তিকৰণ ব্যৱস্থা ............................................. ১৫

১১। ‘খাদ্য সুৰক্ষা আইন’ৰ ৰূপায়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় ............... ১৭
চৰকাৰৰ দায়বদ্ধতা

১২। ‘খাদ্য সুৰক্ষা আইন’ৰ ৰূপায়নৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ ....... ১৮
দায়বদ্ধতা

১৩। খাদ্য সুৰক্ষা আইনত স্থানীয় কৰ্তৃপক্ষৰ প্ৰতিবন্ধকতা........... ১৯

১৪। স্বচ্ছতা আৰু দায়বদ্ধতা ...................................................... ১৯

১৫। খাদ্য সুৰক্ষা আইনক আগুৱাই নিয়াৰ ব্যৱস্থা ....................... ২০

১৬। অন্যান্য কেতবোৰ গুৰুত্বপূৰ্ণ দিশ ....................................... ২০

১৭। পৰিশিষ্ট ........................................................................ ২২


■■

# খাদ্য সুৰক্ষা আইনৰ বিষয়ে অলপ জানো আহক

আমাৰ দেশে স্বাধীনতা লাভ কৰাৰ পিচৰে পৰাই দাৰিদ্র্যতা নিবাৰণ, খাদ্যৰ সুৰক্ষা, সামাজিক ন্যায় আদি বিষয়ে গুৰুত্ব লাভ কৰিছে। এখন স্বাধীন সাৰ্বভৌম দেশৰ নাগৰিক হিচাপে ভাৰতবাসীয়ে উত্থাপন কৰি অহা সুৰক্ষা আৰু সামগ্রিক বিকাশৰ ধাৰণাটোক আগস্থান দি নীতি নিৰ্ধাৰণ কৰি থকা শাসক পক্ষই কেতবোৰ নীতি নিৰ্দেশনা আৰু আইনৰ ব্যৱস্থা কৰিছে। সময়ে সময়ে কৰি অহা এনে ব্যৱস্থাসমূহৰ ভিতৰত শেহতীয়াকৈ প্ৰনয়ন কৰি উলিওৱা খাদ্য সুৰক্ষা আইন অন্যতম। 'ইউনাইটেড প্ৰগ্ৰেছিভ এলায়েন্স' নেতৃত্বাধীন দ্বিতীয়খন কেন্দ্ৰীয় চৰকাৰৰ আমোলত ২০০৯ চনত খাদ্য সুৰক্ষা বিষয়ক আইনৰ কথা ঘোষণা কৰা হয়। ইয়াৰ পিচতে বিষয়টো সন্দৰ্ভত সংসদীয় আৰু সচেতন নাগৰিক সমাজৰ ব্যাপক আলোচনা আৰম্ভ হয়। চাৰি বছৰজোৰা এক বিশেষ প্ৰক্ৰিয়া অব্যাহত থকাৰ পিচত যোৱা ৫ জুলাই, ২০১৩ ৰ দিনা দেশৰ ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়ে এই অধ্যাদেশত স্বাক্ষৰ কৰে।

খাদ্য সুৰক্ষা বিধেয়ক প্ৰস্তাৱনাতে এই কথা উল্লেখ কৰা হৈছে যে এই বিধেয়কৰ মূল উদ্দেশ্যই হ'ল দেশবাসীক খাদ্যৰ নিশ্চিতি প্ৰদান কৰা। ভাৰতৰ মাটিত বাস কৰা প্ৰতিগৰাকী লোকেই যাতে দুবেলা দুমুঠি খোৱাৰ নিশ্চিতি লাভ কৰিব পাৰে, সেই উদ্দেশ্য আগত ৰাখি এই খাদ্য সুৰক্ষা বিষয়ক বিধেয়ক প্ৰস্তুত কৰা হৈছে বুলি দাবী কৰা হৈছে। এই আইনখনে দেশবাসীৰ খাদ্যৰ অধিকাৰক সুৰক্ষিত কৰিব বুলি চৰকাৰ আশাবাদী।

দেশৰ বিভিন্ন প্ৰান্তৰত দুৰ্বল শ্ৰেণীৰ লোকসকল তথা বিশেষকৈ ভাৰতবৰ্ষৰ উত্তৰ-পূবৰ লোকসকলৰ হৈ কাম কৰা বেচৰ্কাৰী সংস্থা আৰু নাগৰিক  সংস্থাসমূহে এই পুস্তিকাখন ব্যৱহাৰ কৰিব বুলি আশা কৰিব

পাৰি। ইণ্টৰনেশনেল এন জি অ' পাৰ্টনাৰশ্বিপ এগ্রিমেণ্ট প্ৰ'গ্ৰাম (IPAP)ৰ অধীনত একচন এইডে এই পুস্তিকাখন প্ৰকাশ কৰি উলিয়াছে আৰু ইয়াত গ্ৰেত ব্ৰিটেইন চৰকাৰৰ ডিপাৰ্টমেণ্ট অৱ ইণ্টাৰনেশনেল ডেভেলমেণ্ট (DFID)ৰ আথিক সহায়ত পোৱা গৈছে।

■■

# খাদ্য কি সুৰক্ষা কি?

খাদ্য সুৰক্ষাৰ বিষয়টো উত্থাপিত হোৱাৰ লগে লগে প্ৰতিগৰাকী নাগৰিকৰ মনত কিছুমান প্ৰশ্নৰ উদয় হয়। মনলৈ অহা প্ৰশ্নবোৰ হ'ব পাৰে – খাদ্য বুলিলে আমি কি বুজো কিম্বা খাদ্যৰ সংজ্ঞানো কি? আনহাতে, সুৰক্ষা মানে কি? খাদ্যৰ কি পৰ্যায়ৰ সুৰক্ষা? তদুপৰি স্বাভাৱিকতে প্ৰশ্ন উত্থাপিত হয় – আমাৰ দেশৰ কোনবোৰ মানুহেনো খাদ্যৰ নিশ্চিতিৰ পৰা আজিও বঞ্চিত? খাদ্যৰ সুৰক্ষাৰ পৰা বঞ্চিত লোকসকলৰ অৰ্থনৈতিক স্থিতি কি আৰু বিগত সময়ছোৱাত তেওঁলোকক সুৰক্ষিত কৰাৰ ক্ষেত্ৰত আমাৰ দেশৰ শাসন ব্যৱস্থাই কি ভূমিকা লৈ আহিছে? এনেবোৰ বিষয় আলোচনা কৰিবলৈ হ'লে আমি যুকিয়াই চাব লাগিব ভাৰতীয় সংবিধানে এই দেশৰ নাগৰিকৰ বাবে সৃষ্টি কৰা সাংবিধানিক সুৰক্ষা আৰু তাকে লৈ পৰৱৰ্তী সময়ত কাৰ্যকৰী হোৱা বিভিন্ন পৰ্যায়ৰ আইন আৰু নীতি-নিৰ্দেশনাসমূহক।

সাধাৰণভাৱে ক'বলৈ হ'লে খাদ্য মানে একোজন মানুহক তেওঁৰ বয়স আৰু অৱস্থা অনুসৰি পৰ্যাপ্ত পৰিমাণৰ পুষ্টিৰ যোগান ধৰিব পৰা খোৱা বস্তু। এনেক্ষেত্ৰত স্বাভাৱিকতে প্ৰশ্ন উঠিব – পুষ্টি মানে কি? বা পুষ্টিৰ সুৰক্ষা মানেনো কি?

পুষ্টি বা পুষ্টিৰ সুৰক্ষা মানে হ'ল শৰীৰে পাবলগীয়া পৰ্যাপ্ত পৰিমাণৰ কাৰ্ব'হাইড্ৰেট, প্ৰ'টিন, ফেট্ছ আৰু আইৰণৰ দৰে দ্ৰব্যসমূহ উপলব্ধ হোৱাটো। এনেবোৰ সামগ্ৰী শৰীৰক নিয়মীয়াকৈ যোগান ধৰিব পৰা খোৱা বস্তুবোৰৰ ভিতৰত প্ৰধান হ'ল – দাইল, মাহজাতীয় অন্যান্য খাদ্য শস্য, তেল, মাংস, গাখীৰ, কণী, শাক-পাচলি আৰু ফল-মূল। একোজন পুৰুষ আৰু এগৰাকী মহিলাই জীৱনৰ বিভিন্ন বয়স আৰু শাৰীৰিক-মানসিক অৱস্থাত ভিন্নধৰণে পুষ্টিকৰ খাদ্যৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। আৰু সেইখিনি নিশ্চিত হোৱটোৱে সামগ্ৰিক অৰ্থত খাদ্যৰ সুৰক্ষা। লক্ষণীয় কথাটো হ'ল – অৰ্থনৈতিক বিকাশ সন্দৰ্ভত

ভাৰত চৰকাৰে প্ৰকাশ কৰা তথ্যই আপাততঃ দেশখনত থকা স্বচ্ছলতা বিৰাজ কৰা বুলিয়ে আঙুলিয়াই দিয়ে যদিও এই দেশৰ নাগৰিক খাদ্যৰ সুৰক্ষাৰ বিষয় উত্থাপিত হ'লেই স্পষ্ট হৈ পৰে অন্য এখন দুৰ্ভাগ্যজনক ছবিহে। খাদ্যৰ সুৰক্ষা বিষয়ত নতুন দিল্লীৰ 'ৰাইট টু ফুড কেম্পেইন'ৰ দ্বাৰা প্ৰস্তুত কৰা এখন প্ৰচাৰ পুস্তিকাত প্ৰকাশিত তথ্য অনুসৰি আজিও ৮০ শতাংশ ভাৰতীয় নাগৰিকে পৰ্যাপ্ত পৰিমাণে খাবলৈ নাপায়। বিশ্ব ক্ষুধামাপক (গ্ল'বেল হাংগাৰ ইনডেক্স)ৰ দ্বাৰা ৰূপায়িত ক্ষুধা সম্পৰ্কীয় অধ্যয়নে প্ৰস্তুত কৰা তালিকা অনুসৰি ১১৯ খন দেশৰ ভিতৰত ভাৰতৰ স্থান হৈছে ৯৪। ভাৰতৰ ৪৩ শতাংশ শিশু আৰু ৪০ শতাংশ মহিলাই পুষ্টিহীনতাত ভোগে। ৫০ শতাংশ শিশুৰ অকালমৃত্যুৰ কাৰণ হ'ল পুষ্টিহীনতা। একেদৰে প্ৰতি তিনিজন ভাৰতীয়ৰ এজনৰ ওজন থাকিবলগীয়া ওজনতকৈ কম। 'নেচনেল মিছন ফৰ এণ্টাৰপ্ৰাইজেছ ইন দা আন-অৰগেনাইজড্ ছেক্টৰ'ৰ অৰ্জুন সেনগুপ্তা কমিটীৰ প্ৰতিবেদন অনুসৰি ভাৰতৰ ৭৭ শতাংশ লোকেই প্ৰতিদিনে ২০ টকাতকৈ কম টকাত চলিবলগীয়া হয়। বহুচৰ্চিত তেণ্ডুলকাৰ কমিটীৰ প্ৰতিবেদন অনুসৰি ভাৰতৰ গ্ৰামাঞ্চলৰ প্ৰতিগৰাকী লোকৰ প্ৰতিদিনে ১৭৭৬ কেলৰি আৰু চহৰাঞ্চলৰ ১৯৯৯ কেলৰি শক্তি সংগ্ৰহৰ বাবে খাদ্য সংগ্ৰহ কৰিব নোৱাৰাসকলে দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ লোক। আনহাতে, ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ দ্বাৰা নিৰ্ধাৰিত মাপক অনুসৰি দেশৰ গ্ৰামাঞ্চলৰ লোকে গড় হিচাপত ২৪০০ কেলৰি আৰু চহৰাঞ্চলৰ লোকে ২১০০ কেলৰি প্ৰতিদিনে পোৱা উচিত।

খাদ্যৰ সুৰক্ষাৰ বিষয়টো সন্দৰ্ভত ৰাইট টু ফুড কেম্পেইনে এক সাৰ্বজনীন ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ পোষকতা কৰিছে। ইংৰাজীত ইয়াক কোৱা হৈছে 'ইউনিভাৰ্ছেল পাব্লিক ডিষ্ট্ৰিবিউশ্যন ছিষ্টেম' বা চমুকৈ ইউ পি ডি এছ। এই ব্যৱস্থাত তিনিটা বিষয় নিশ্চিত কৰাৰ পোষকতা কৰা হৈছে। সেয়া হ'ল –

(ক) প্ৰতিগৰাকী ব্যক্তিৰ বাবে প্ৰতি মাহে ১৪ কিলোগ্ৰামকৈ খাদ্য শস্য আবণ্টন দিয়া।

(খ) প্ৰতিগৰাকী ব্যক্তিৰ বিপৰীতে ৮০০ গ্ৰামকৈ তেল আবণ্টন দিয়া।

(গ) প্ৰতিগৰাকী ব্যক্তিৰ বিপৰীতে প্ৰতি মাহে ১.৫ কিলোগ্ৰামকৈ দাইল আবণ্টন দিয়া।

খাদ্য সুৰক্ষা অধ্যাদেশ কিম্বা আইন প্ৰণয়নৰ বিষয়টো মনলৈ আহিলে স্বাভাৱিকতে প্ৰশ্ন উত্থাপিত হয় — খাদ্যৰ সুৰক্ষাৰ বিষয়টো কিয় উত্থাপিত হ'ল? আচলতে এই প্ৰশ্নতেই খাদ্য শস্যৰ উৎপাদন আৰু বিতৰণৰ বৃহৎ পৰিসৰৰ এক আলোচনা জড়িত হৈ আছে। মূলতঃ দেশৰ কৃষিখণ্ডত বিৰাজ কৰা একপ্ৰকাৰ অচলাৱস্থা দেশখনৰ সৰ্বসাধাৰণজনৰ জীৱন-যাত্ৰাৰ প্ৰতি ভাবুকি বুলি চিহ্নিত হৈছে। তথ্য অনুসৰি আমাৰ দেশৰ ৫২ শতাংশ লোক প্ৰত্যক্ষভাৱে আৰু ৬৫ শতাংশ লোক পৰোক্ষভাৱে কৃষিৰ ওপৰত নিৰ্ভৰশীল। কিন্তু অতি লক্ষণীয় কথাটো হ'ল — ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন (জি ডি পি)লৈ কৃষিখণ্ডৰ অৱদান মাত্ৰ ১৫ শতাংশ। কিন্তু বৃহৎ ব্যৱসায় বা ঔদ্যোগিক উৎপাদনৰ লগত কৰ্প'ৰেট খণ্ডৰ লগত জড়িত দেশৰ মুঠ জনসংখ্যাৰ মাত্ৰ ১ শতাংশ লোকে গঢ় ঘৰুৱা উৎপাদনলৈ আগবঢ়োৱা অৱদানৰ পৰিমাণ ৩৩ শতাংশ। একেদৰে সেৱাখণ্ডৰ লগত জড়িত দেশৰ মাত্ৰ ৯ শতাংশ লোকে আগবঢ়োৱা অৱদানৰ পৰিমাণ ৫৫ শতাংশতকৈও অধিক। গতিকে এই তথ্যই প্ৰমাণ কৰে যে আগন্তুক সময়ত কৃষিখণ্ডৰ প্ৰতি অধিক ভাবুকিৰ সৃষ্টি হ'ব আৰু খাদ্য শস্যৰ উৎপাদনো কমিব।

■■

# ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা বিধেয়ক-২০১৩

'ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা বিধেয়ক'খন ড° মনমোহন সিং নেতৃত্বাধীন ইউ পি এ চৰকাৰৰ কেবিনেটে অনুমোদন (৩ জুলাই, ২০১৩) জনোৱা পিচত দেশৰ ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়ে (৫ জুলাই, ২০১৩) ত এই অধ্যাদেশত স্বাক্ষৰ কৰে। ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ পিচত কেন্দ্ৰীয় উপভোক্তা পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰ্যালয়ৰ কেবিনেট মন্ত্ৰী কে ভি থমাছে যোৱা ৭ আগষ্ট, ২০১৩ ৰ দিনা লোকসভাৰ মজিয়াত 'ৰাষ্ট্ৰীয় খাদ্য অধিকাৰ বিধেয়ক-২০১৩' উত্থাপন কৰে। ইয়াৰ দ্বাৰা ২০০৯ চনৰ জুন মাহৰ পৰা ইউ পি এ চৰকাৰে লৈ খাদ্য সুৰক্ষাৰ বিষয়টোৱে এক বিশেষ মাত্ৰা লাভ কৰি এখন আইন প্ৰবৰ্তনৰ বাবে আগবাঢ়ে।

■■

# ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা বিধেয়কত উত্থাপিত মূল বিষয়কেইটা

এই বিধেয়কখনৰ প্ৰাৰম্ভণিতে কোৱা হৈছে যে এই বিধেয়কে দেশৰ প্ৰতিগৰাকী লোকক খাদ্য আৰু পুষ্টিৰ সুৰক্ষা প্ৰদান কৰিব বিচাৰিছে। ইয়াৰ বাবে প্ৰতিগৰাকী লোকে যাতে মৰ্যাদাসহকাৰে সহনীয় মূল্যত সঠিক পৰিমাণৰ মানসম্পন্ন খাদ্য পাব পাৰে তাৰ ব্যৱস্থা কৰা হ'ব। এই বিধেয়কত উল্লেখ কৰা হৈছে যে ই সদায় দেশৰ দুখীয়াৰো দুখীয়াজন, মহিলা আৰু শিশুৰ খাদ্যৰ সুৰক্ষাৰ বিষয়ক বিশেষ প্ৰাধান্যতা দিব। যদি কিবা কাৰণত খাদ্যশস্যৰ যোগান নিশ্চিত কৰিব পৰা নহয়, তেতিয়াহ'লে তাৰ বিপৰীতে খাদ্য সুৰক্ষা ভাট্টাও দিয়া হ'ব। সৰ্বসাধাৰণ নাগৰিকৰ অভিযোগ আৰু প্ৰাপ্তিৰ অধিকাৰক সুৰক্ষিত কৰাৰ বাবে কেতবোৰ বিশেষ ব্যৱস্থা প্ৰবৰ্তন কৰা হৈছে। এই ব্যৱস্থাক ইংৰাজীত 'Grievance redressal mechanism' বুলি কোৱা হৈছে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনে দেশৰ দুই-তৃতীয়াংশ মানুহক সামৰি ল'ব। সেই অনুসৰি চহৰাঞ্চলৰ ৫০ শতাংশ আৰু গ্ৰামাঞ্চলৰ ৭৫ শতাংশ লোকে এই আইনৰ অধীনত সমহাৰত প্ৰতি মাহে ৫ কিলোগ্ৰামকৈ খাদ্য শস্য ৰাজসাহায্যৰ অধীনত লাভ কৰিব। এনে খাদ্য শস্য হিচাপে পোৱা যাব চাউল, আটা আৰু দাম হ'ব প্ৰতি কিলোগ্ৰামত ৩ টকা, ২ টকা আৰু ১ টকা। বিধেয়কত উল্লেখিত তথ্য অনুসৰি দেশৰ দুই-তৃতীয়াংশ, অৰ্থাৎ ১.২ বিলিয়ন নাগৰিকক আইনৰ লক্ষ্য নিৰ্ধাৰিত ৰাজহুৱা বিতৰণ ব্যৱস্থা (টাৰ্গেটেড পাব্লিক ডিষ্ট্ৰিবিউচন ছিষ্টেম)ৰ দ্বাৰা সামৰি লোৱা হ'ব। উল্লেখনীয় যে এই আইনৰ অধীনতো দৰিদ্ৰৰো দৰিদ্ৰজনে প্ৰতি মাহে ৩৫ কিলোগ্ৰাম চাউল ক্ৰমে ৫ টকা, ২ টকা আৰু ১ টকাত লাভ কৰিব। এইক্ষেত্ৰত হিতাধিকাৰী চিনাক্ত কৰাৰ দায়িত্ব থাকিব ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ ওপৰত। হিতাধিকাৰী চিনাক্তকৰণৰ ক্ষেত্ৰত শেহতীয়া জৰীপৰ অৰ্থনৈতিক আৰু

জাতিগত স্থিতিক ভিত্তি হিচাপে ল'ব লাগিব। চহৰাঞ্চলৰ জনসংখ্যাৰ ক্ষেত্ৰত সৰ্বভাৰতীয় হাৰৰ ভিত্তিত ৰাজ্যসমূহৰ স্থিতি নিৰ্ধাৰণ কৰিব পৰিকল্পনা আয়োগে। এই আইনে নিশ্চিত কৰিবলগীয়া কেইটামান গুৰুত্বপূৰ্ণ কথা হ'ল –

(ক) গৰ্ভৱতী মহিলা আৰু শিশুক দুগ্ধ প্ৰদান কৰি থকা মাতৃৰ বাবে পুষ্টিকৰ খাদ্য এই আইনে নিশ্চিত কৰিব।

(খ) প্ৰসূতিকালীন ভাট্টা নিম্নতম ৬০০০ টকা কৰা হ'ব।

(গ) ৬ মাহৰ পৰা ১৪ বছৰলৈ প্ৰতিগৰাকী শিশুৱে ঘৰতে পুষ্টিকৰ আৰু গৰম খাদ্য পাব।

(ঘ) কিবা কাৰণত খাদ্য শস্যৰ যোগান ব্যাহত হ'লে তাৰ বিপৰীতে হিতাধিকাৰীক খাদ্য সুৰক্ষা ভাট্টা দিবলৈ ৰাজ্য চৰকাৰ, কেন্দ্ৰীয়শাসিত অঞ্চলৰ প্ৰশাসন বাধ্য থাকিব। এই ভাট্টাৰ পৰিমাণ কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰাধৰণে দিব লাগিব।

(ঙ) জিলা আৰু ৰাজ্যিক পৰ্যায়ত 'গ্ৰিভানছেছ ৰিড্ৰেছেল মেকানিজিম' অৰ্থাৎ 'অভাৱ-আসোঁৱাহ নিৰসন' ব্যৱস্থা থাকিব। জিলা আৰু ৰাজ্যিক পৰ্যায়ত ইয়াৰ বাবে বিষয়া থাকিব। ৰাজ্য চৰকাৰে ব্যয় কমোৱাৰ বাবে যদি ৰাজ্যিক খাদ্য নিয়োগৰ আন্তঃগাঁথনি ব্যৱহাৰ কৰিব খোজে তেতিয়াহ'লে তেনে কৰিব পাৰিব।

(চ) উল্লিখিত ধৰণৰ লক্ষ্যত উপনীত হোৱাৰ বাবে দেশক বছৰি ৬১২.৩ লাখ টন খাদ্য শস্যৰ প্ৰয়োজন হ'ব। তাৰ বাবে প্ৰদান কৰিবলগীয়া ৰাজসাহায্য হিচাপে ২০১৩-১৪ চনৰ বৰ্ষত চৰকাৰে ব্যয় কৰিব লাগিব ১,২৪,৭২৪ কোটি টকা।

'ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩'ৰ প্ৰথম অধ্যায়ত বিধেয়কখনত ব্যৱহৃত শব্দ আৰু শব্দপুঞ্জক সংজ্ঞাবদ্ধ কৰা হৈছে। ইয়াত খাদ্য শস্যৰ মাত্ৰা চাউল, ঘেঁহু আৰু আটাক বুজোৱা হৈছে। একেদৰে এই আইনৰ অধ্যায়সমূহে সামৰি লোৱা বিষয়সমূহ এনেধৰণৰ –

**অধ্যায় এক ঃ প্ৰাথমিক পৰিচয় – এই আইনৰ নাম ঃ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা**

**আইন, ২০১৩**

- এই আইনৰ নাম ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩।
- এই আইনে ভাৰতৰ প্ৰতিটো প্ৰান্তকে সামৰি লব।
- ইয়াৰ অঙ্গনবাড়ী কেন্দ্ৰ, খাদ্য শস্য হিতাধিকাৰী, খাদ্য সুৰক্ষা স্থানীয় কৰ্তৃত্ব সুলভ মূল্যৰ দোকান, চেণ্ট্ৰেল পুল খণ্ডক আদিৰ ধাৰণাক বিশেষভাৱে সংজ্ঞাবদ্ধ কৰা হৈছে।

**অধ্যায় দুই ঃ খাদ্য সুৰক্ষাৰ ব্যৱস্থা সমূহ –**

- ইয়াত প্ৰতিগৰাকী নাকৰিকৰে খাদ্য সুৰক্ষাৰ অধিকাৰক বিশেষভাৱে আঙুলিয়াই দিয়া হৈছে।
- খাদ্য শস্যৰ বিপৰীতে চৰকাৰে প্ৰদান কৰিবলগীয়া ৰাজ সাহায্যৰ হাৰ গাঁৱৰ ক্ষেত্ৰত ৭৫ শতাংশ আৰু চহৰৰ ক্ষেত্ৰত ৫০ শতাংশ কৰাৰ পোষকতা কৰা হৈছে।
- অঙ্গনবাড়ী কেন্দ্ৰৰ যোগেদি প্ৰতিগৰাকী মাতৃক গৰ্ভাৱস্থাত আৰু প্ৰসৱৰ ছমাহ পিছলৈ বিনামূলীয়া খাদ্যৰ যোগান।
- প্ৰতিখন বিদ্যালয়, অঙ্গনবাড়ী কেন্দ্ৰতে খোৱা পানী ৰান্ধনী ঘৰ আৱশ্যকীয় পয়-প্ৰণালীৰ ব্যৱস্থা।
- চহৰাঞ্চলত কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা অনুসৰি কেন্দ্ৰীয় পৰ্যায়ৰ ৰান্ধনী ঘৰৰ ব্যৱস্থা কৰা।

**অধ্যায় তিনি ঃ খাদ্য সুৰক্ষা ভাট্টা**

- যদি কিবা কাৰণত চৰকাৰে নিৰ্দেশনা অনুসৰি পৰ্যাপ্ত পৰিমাণৰ খাদ্যৰ যোগান ধৰিব নোৱাৰে তেতিয়া হ'লে চৰকাৰে খাদ্য সুৰক্ষা ভাট্টা প্ৰদান কৰিব।
- কেন্দ্ৰীয় চৰকাৰে ধৰি দিয়া সময় আৰু পৰিমাণ অনুসৰি ৰাজ্য চৰকাৰে এই ভাট্টাৰ যোগান ধৰিব।

**অধ্যায় চাৰিঃ খাদ্য সুৰক্ষা আইনে সামৰি ল'বলগীয়া পৰিয়াল চিনাক্ত কৰণ ঃ**

- শেহতীয়া জৰীপ অনুসৰি গাঁও আৰু চহৰ উভয়তে থকা জনসংখ্যাৰ ওপৰত ভিত্তি কৰি হিতাধিকাৰী চিনাক্তকৰণ আৰম্ভ কৰা হ'ব।

■■

# উত্তৰ পূবৰ ৰাজ্যসমূহলৈ খাদ্য শস্যৰ আবণ্টন

| ৰাজ্য | পৰিমান (লাখ টন হিচাপত) |
|---|---|
| ১। অসম | ১৬.৯৬ |
| ২। অৰুণাচল প্ৰদেশ | ০.৮৯ |
| ৩। মণিপুৰ | ১.৫১ |
| ৪। মেঘালয় | ১.৭৬ |
| ৫। মিজোৰাম | ০.৬৬ |
| ৬। নাগালেণ্ড | ১.৩৮ |
| ৭। ছিকিম | ০.৪৪ |
| ৮। ত্ৰিপুৰা | ২.৭১ |

(ভাৰতৰ মুঠ ৩৫ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে আবণ্টিত মুঠ খাদ্য শস্যৰ পৰিয়াল ৫৪৯.২৬ লাখ টন)

■■

**খাদ্য সুৰক্ষা আইনৰ অধীনত শিশু, গৰ্ভৱতী মহিলা আৰু দুগ্ধপান কৰোৱা মাতৃসকলৰ বাবে কেলৰি আৰু প্ৰটিনৰ নিৰ্ধাৰিত পৰিমাণ উল্লেখ কৰা হৈছে এনেদৰে ঃ**

| **শ্ৰেণী** | **খাদ্যৰ ধৰণ** | **কেলৰি** (Kcal) | **প্ৰটিন** (g) |
|---|---|---|---|
| ১। শিশু (ছমাহৰ পৰা ৩বছৰ) | ঘৰলৈ নিব পৰা খাদ্য | ৫০০ | ১২-১৫ |
| ২। শিশু (৩-৬ বছৰ) | পুৱাৰ লঘু আহাৰ আৰু গৰম ৰন্ধা খাদ্য | ৫০০ | ১২-১৫ |
| ৩। অপৰিপুষ্টিত ভোগা শিশু (১মাহ-১ বছৰ) | ঘৰলৈ নিব পৰা খাদ্য | ৮০০ | ২০-২৫ |
| ৪। নিম্ন প্ৰাথমিক শ্ৰেণীৰ শিক্ষাৰ্থী | গৰম ৰন্ধা খাদ্য | ৪৫০ | ১২ |
| ৫। উচ্চ প্ৰাথমিক শ্ৰেণীৰ শিক্ষাৰ্থী | গৰম ৰন্ধা খাদ্য | ৭০০ | ২০ |
| ৬। গৰ্ভৱতী মহিলা আৰু দুগ্ধপান কৰোৱা মাতৃ | ঘৰলৈ নিব পৰা খাদ্য | ৬০০ | ১৮-২০ |

■■

# খাদ্য সুৰক্ষা আইন সাফল্যমণ্ডিত কৰাৰ বাবে নিৰ্দ্ধাৰিত কেতবোৰ ব্যৱস্থা

## (ছেকচন ৩১)

- ক্ষুদ্ৰ আৰু মধ্যম পৰ্যায়ৰ কৃষকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যেৰে কৃষিখণ্ডৰ সংস্কাৰ সাধন কৰা হ'ব।
- কৃষি উৎপাদন বৃদ্ধি কৰাৰ লক্ষ্যেৰে কৃষি খণ্ডত বিনিয়োগ বৃদ্ধিৰ লগতে কৃষি সম্পৰ্কীয় গৱেষণা, জলসিঞ্চন, শক্তিৰ যোগান  আদিত গুৰুত্ব প্ৰদান কৰা হ'ব।
- উপযুক্ত মূল্য প্ৰদান, শস্য ক্ৰয়,  ঋণ, জলসিঞ্চনৰ সুবিধা, শস্য বীমা আদিৰ জৰিয়তে কৃষকৰ আৰ্থিক নিৰাপত্তা সুনিশ্চিত কৰা হ'ব।
- ভৌগলিক বিভাজনৰ ওপৰত ভিত্তি কৰি কৃষকৰ পৰা শস্য আহৰণ কৰা হ'ব।
- শস্য জমা কৰি ৰখাৰ বাবে উন্নতমানৰ ভঁৰালৰ ব্যৱস্থা।
- খাদ্য শস্যৰ যোগান ধৰাৰ বাবে প্ৰয়োজন হ'লে ৰেল পথৰো পৰিসৰ বঢ়োৱা হ'ব।

■■

# খাদ্য সুৰক্ষাৰ বাবে হিতাধিকাৰীৰ নিৰ্বাচন

- লোক পিয়লৰ তথ্যৰ আধাৰত কোনো এটা অঞ্চলত লক্ষ্য নিৰ্ধাৰিত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত খাদ্য সুৰক্ষাৰ হিতাধিকাৰীৰ নিৰ্বাচন কৰা হ'ব।
- ৰাজ্যচৰকাৰে অন্ত্যোদয়া অন্ন যোজনাৰ অধীনত অন্তৰ্ভুক্ত হোৱা হিতাধিকাৰীৰ লগতে লক্ষ্য নিৰ্ধাৰিত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত সামৰি লবলগীয়া অন্য হিতাধিকাৰিৰো বাচনি কৰিব।
- আইন বলবৎ হোৱাৰ সৰ্বোচ্চ ৩৬৫ দিনৰ ভিতৰত ৰাজ্য চৰকাৰে হিতাধিকাৰীৰ বাচনি কৰিব লাগিব।
- ৰাজ্য চৰকাৰে ৰাজহুৱাভাৱে হিতাধিকাৰীৰ নাম প্ৰকাশ কৰিব লাগিব।

■■

# লক্ষ্য নিৰ্ধাৰিত ৰাজহুৱা বিতৰণ সংস্কাৰ সাধন

এই আইনৰ অধীনত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে লক্ষ্য নিৰ্ধাৰিত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সংস্কাৰ সাধনৰ ক্ষেত্ৰত গ্ৰহণ কৰিব পৰা কেতবোৰ পদক্ষেপৰ কথা উল্লেখ  কৰা হৈছে — উদাহৰণস্বৰূপে

(ক) লক্ষ্য নিৰ্ধাৰিত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত হিতাধিকাৰীক ঘৰতেই খাদ্যৰ যোগান ধৰা

(খ) সকলোধৰণৰ লেনদেনৰ স্বচ্ছতা নিৰূপণৰ বাবে কম্পিউটাৰ আৰু অন্যান্য তথ্য প্ৰযুক্তিৰ সজুলিৰ ব্যৱহাৰ

(গ) হিতাধিকাৰীৰ চিনাক্তকৰণৰ ক্ষেত্ৰত 'আধাৰ' কাৰ্ডৰ ব্যৱহাৰ

(ঘ) সকলো তথ্য পাতিৰ সম্পূৰ্ণ স্বচ্ছতা নিৰূপণ কৰা

(ঙ) সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ ক্ষেত্ৰত পঞ্চায়ত,  আত্ম সহায়ক গোট, ক'অপাৰেটিভ ইত্যাদিৰ সৈতে আলোচনাৰ ভিত্তিত সিদ্ধান্ত গ্ৰহণ।

■■

# নাৰী সবলীকৰন

- এই আইনৰ (কোনো পুৰুষ অভিভাৱক নাথাকিলে) পৰিয়ালৰ ১৮ বছৰৰ ওপৰৰ জ্যেষ্ঠ মহিলাগৰাকীৰ নামত ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব।
- যদিহে কোনো এখন ঘৰত ১৮ বছৰতকৈ বেছি বয়সৰ মহিলা নাথাকে আৰু যদিহে ১৮  বছৰতকৈ কম বয়সৰ মহিলা থাকে, তেনেস্থলত ঘৰত জ্যেষ্ঠ পুৰুষজনৰ নামত ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব আৰু মহিলা সদস্য গৰাকীৰ ১৮ বছৰ বয়স হ'লে কাৰ্ডখন তেওঁৰ নামত হস্তান্তৰ হ'ব।

■■

# আপত্তি নিস্পত্তিকৰণ ব্যৱস্থা

- খাদ্য সুৰক্ষা আইনৰ অধীনত প্ৰতিখন ৰাজ্য চৰকাৰে আপত্তি নিস্পত্তিকৰণ ব্যৱস্থা ৰাখিব লাগিব। ইয়াৰ বাবে কল চেণ্টাৰ, হেল্প লাইন আদিৰ ব্যৱস্থা কৰাৰ লগতে নডেল বিষয়াকো নিযুক্তি দিয়া হ'ব।
- ৰাজ্য চৰকাৰে প্ৰতিখন জিলাতেই একোজনকৈ জিলা আপত্তি নিস্পত্তিকৰণ বিষয়া (ডি জি আৰ অ) ক নিযুক্তি  প্ৰদান কৰিব।
- এই বিষয়াসকলৰ যোগ্যতা আৰু ক্ষমতা নিৰ্ধাৰন কৰিব ৰাজ্য চৰকাৰে।
- এই বিষয়াসকলৰ দৰমহা আৰু এইক্ষেত্ৰত নিযুক্তি প্ৰদান কৰা অন্য কৰ্মচাৰীৰ দৰমহাৰ দায়িত্ব গ্ৰহণ কৰিব ৰাজ্য চৰকাৰে।

- খাদ্য সুৰক্ষা আইনৰ সঠিক ৰূপায়নৰ দিশটো পৰ্যবেক্ষণ কৰাৰ বাবে ৰাজ্য চৰকাৰে ৰাজ্যিক খাদ্য আয়োগ (এছ এফ চি) গঠন কৰিব।
- এই আয়োগত থাকিব এগৰাকী অধ্যক্ষ, পাঁচগৰাকী অন্যান্য সদস্য আৰু এগৰাকী সদস্য সচিব (চৰকাৰী বিষয়া হ'ব লাগিব যাৰ পদমৰ্যাদা যুটীয়া সচিবতকৈ তলৰ হ'ব নোৱাৰিব)। আয়োগত কমেও দুগৰাকী মহিলা সদস্য থাকিব লাগিব।
- আয়োগৰ কাম কাজসমূহ হ'ব এনেধৰণৰ – আইনখন ৰূপায়ণৰ পৰ্যবেক্ষণ আৰু মূল্যায়ন, অভিযোগৰ ভিত্তিত যাবতীয় ব্যৱস্থা গ্ৰহণ কৰা, আইনখনৰ সন্দৰ্ভত চৰকাৰক উপদেশ প্ৰদান কৰা, জিলা আপত্তি নিস্পত্তিকৰণ বিষয়াৰ নিৰ্দেশৰ বিৰুদ্ধে উত্থাপিত অভিযোগ গ্ৰহণ কৰা, ৰাজ্য চৰকাৰে বিধান সভাত দাখিল কৰিব পৰাকৈ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰা।
- প্ৰয়োজনীয় বিবেচিত হ'লে ৰাজ্য চৰকাৰে নিদেৰ্শযোগে স্বতন্ত্ৰ আয়োগ কৰি ৰাজ্যিক খাদ্য আয়োগৰ ক্ষমতা আৰু দায়িত্ব হস্তান্তৰ কৰিব পাৰিব। (ছেকচন ১৬)
- ৰাজ্যিক খাদ্য আয়োগে খাদ্য সুৰক্ষা সম্পৰ্কীয় সকলোধৰণৰ গোচৰ দণ্ডাধিশলৈ প্ৰেৰণ কৰিব পাৰিব।

■■

# ‘খাদ্য সুৰক্ষা আইন’ৰ ৰূপায়ণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ দায়বদ্ধতা

- হিতাধিকাৰীয়ে নিয়মীয়াকৈ খাদ্য শস্য লাভ কৰিব পৰাকৈ কেন্দ্ৰীয় চৰকাৰে লক্ষ্য নিৰ্ধাৰিত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত ৰাজ্য চৰকাৰ সমূহলৈ প্ৰয়োজনীয় খাদ্য শস্যৰ আবণ্টন দিব লাগিব।
- নিৰ্দিষ্ট ৰাজ্য এখনৰ প্ৰতিখন জিলাত বাচনি কৰি উলিওৱা হিতাধিকাৰীৰ তালিকাৰ ভিত্তিতহে কেন্দ্ৰীয় চৰকাৰে খাদ্য-শস্যৰ আবণ্টন দিব লাগিব (ছেকচন ১০)
- কেন্দ্ৰীয় চৰকাৰে নিজস্ব সংস্থা, ৰাজ্য চৰকাৰ অথবা ৰাজ্য চৰকাৰৰ অধীনত থকা সংস্থাৰ জৰিয়তে খাদ্য-শস্য সংগ্ৰহ কৰিব, সেই খাদ্য শস্য ৰাজ্যসমূহলৈ যোগান ধৰিব। পৰিবহনৰ যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিব। দুখন ৰাজ্যৰ মাজত খাদ্য শস্যৰ পৰিবহনৰ ক্ষেত্ৰত হোৱা ব্যয়ৰ ক্ষেত্ৰত নিৰ্দিষ্ট ৰাজ্য চৰকাৰক সাহায্য প্ৰদান কৰিব। বিভিন্ন পৰ্যায়ত আধুনিক আৰু বিজ্ঞানভিত্তিক সংৰক্ষণ কেন্দ্ৰ স্থাপন কৰিব।
- কোনো কাৰণত এখন ৰাজ্যলৈ যাৱতীয় পৰিমাণৰ খাদ্য শস্যৰ যোগান ধৰিব নোৱাৰিলে কেন্দ্ৰীয় চৰকাৰে তাৰ বিনিময়ত ৰাজ্যখনলৈ পুঁজিৰ যোগান ধৰিব লাগিব।

■■

# ‘খাদ্য সুৰক্ষা আইন’ৰ ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দায়বদ্ধতা

- হিতাধিকাৰী সকলে খাদ্য সুৰক্ষা আইনৰ অধীনত খাদ্য শস্য লাভ কৰাটো নিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ৰ কাম-কাজৰ তদাৰক কৰিব লাগিব।
- লক্ষ্য নিৰ্ধাৰিত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰে খাদ্য-শস্য জমা কৰি ৰখা স্থানৰ পৰা হিতাধিকাৰীক প্ৰদানৰ দায়িত্ব গ্ৰহণ কৰিব লাগিব।
- চৰকাৰে নিৰ্ধাৰিত কৰি দিয়া মূল্য হিতাধিকাৰীয়ে খাদ্য শস্য লাভ কৰাটো নিশ্চিত কৰিব লাগিব।
- কোনো কাৰণত হিতাধিকাৰীয়ে খাদ্য শস্য লাভ নকৰিলে ৰাজ্য চৰকাৰেই খাদ্য সুৰক্ষা বোনাচ প্ৰদান কৰিব লাগিব।
- প্ৰতিখন ৰাজ্য চৰকাৰেই ৰাজ্য, জিলা আৰু খণ্ড পৰ্যায়ত বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰা খাদ্য সংৰক্ষণ কেন্দ্ৰৰ ব্যৱস্থা কৰিব লাগিব।
- ৰাজ্য চৰকাৰৰ অধীনত থকা খাদ্য আৰু অসামৰিক যোগান নিগম আৰু অন্যান্য সংস্থা সমূহৰ ক্ষমতা বৃদ্ধি কৰিব লাগিব।
- নিৰ্দিষ্ট নীতি অনুসৰি সুলভ মূল্যৰ দোকানৰ অনুজ্ঞা পত্ৰ প্ৰদান কৰিব লাগিব।

■■

# ‘খাদ্য সুৰক্ষা আইন’ৰ ৰূপায়ণত স্থানীয় কৰ্তৃপক্ষৰ দায়বদ্ধতা

- নিৰ্দিষ্ট এটা এলেকাত এই আইনৰ সঠিক ৰূপায়ণৰ দায়িত্ব গ্ৰহণ কৰিব লাগিব স্থানীয় কৰ্তৃপক্ষই। নিৰ্বাচিত কতৃপক্ষ হিচাপে পঞ্চায়ত, নগৰ পালিকা আৰু পৌৰ নিগমৰ প্ৰতিনিধিৰ বিশেষ দায়িত্ব থাকিব।

■■

# স্বচ্ছতা আৰু দায়বদ্ধতা

- লক্ষ্য নিৰ্ধাৰিত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সৈতে জড়িত সকলো তথ্য পাতি ৰাজহুৱাভাৱে প্ৰকাশ কৰিব লাগিব। এই তথ্য পাতি কিদৰে প্ৰকাশ কৰা হ’ব সেয়া নিৰ্ধাৰণ কৰিব ৰাজ্য চৰকাৰে।
- মাজে সময়ে ৰাজ্য চৰকাৰে কৰ্তৃত্ব প্ৰদান কৰা স্থানীয় কৰ্তৃপক্ষ বা অন্যান্য কোনো সংস্থাই সুলভ মূল্যৰ দোকান আৰু লক্ষ্য নিৰ্ধাৰিত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ হিচাপৰ সামাজিক খতিয়ান লব।
- প্ৰয়োজনীয় বিবেচিত হ’লে কেন্দ্ৰীয় চৰকাৰে স্বতন্ত্ৰ সংস্থাক সামাজিক খতিয়ানৰ দায়িত্ব প্ৰদান কৰিব পাৰে।
- স্বচ্ছতা ৰক্ষা আৰু লক্ষ্য নিৰ্ধাৰিত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সঠিক ৰূপায়ণৰ আৰু দায়বদ্ধতাৰ বাবে ৰাজ্য চৰকাৰে তদাৰকী কমিটি গঠন কৰিব।

■■

## ‘খাদ্য সুৰক্ষা আইন’ক আগুৱাই নিয়াৰ ব্যৱস্থা

- এই আইনখন ৰূপায়ণ কৰোতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে অত্যন্ত, দুৰ্গম, পাহাৰীয়া আৰু জনজাতীয় এলেকাৰ বাসিন্দাসকলকো গুৰুত্ব প্ৰদান কৰি তেওঁলোকে এই আইনৰ অধীনত খাদ্যৰ যোগান লাভ কৰাটো নিশ্চিত কৰিব লাগিব।

■■

## অন্যান্য কেতবোৰ গুৰুত্বপূৰ্ণ দিশ

- এই আইনখনে, চৰকাৰক অন্য কোনো কল্যাণমূলক খাদ্য ভিত্তিক আঁচনি ৰূপায়ণ বা অব্যাহত ৰখাৰ ক্ষেত্ৰত বাধা প্ৰদান নকৰে।
- এই আইনৰ ৰূপাযণৰ ক্ষেত্ৰত ৰাজ্যিক আয়োগে দোষী সাব্যস্ত কৰা চৰকাৰী কৰ্মচাৰী এগৰাকীয়ে সৰ্বোচ্চ পাচ হেজাৰ টকা পৰ্যন্ত জৰিমনাৰ সন্মুখীন হ’ব।
- ৰাজ্যিক আয়োগে ইয়াৰে কোনো এগৰাকী সদস্যক জৰিমনা আদায় দিবলগীয়া ব্যক্তিগৰাকীৰ সন্দৰ্ভত তদন্ত কৰাৰ দায়িত্বও প্ৰদান কৰিব পাৰে।
- কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজনীয় বুলি ভাবিলে আইনৰ নিৰ্ধাৰিত সূচী (১, ২, ৩, ৪) সমূহ সংশোধন কৰিব পাৰিব।
- এনে সংশোধনীৰ বিষয়ে চৰকাৰে  উভয় সদনকে অৱগত কৰাব লাগিব।
- সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰে এই আইনখনৰ সন্দৰ্ভত ৰাজ্য চৰকাৰক

কেতবোৰ নীতি-নির্দেশনা প্ৰদান কৰিব যিবোৰ ৰাজ্য চৰকাৰে পালন কৰিব লাগিব।

- কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ লগত আলোচনামৰ্মে ঘোষণাৰ জৰিয়তে এই আইনখনৰ সন্দৰ্ভত নতুন নীতি নিৰ্ধাৰণ কৰিব পাৰিব।
- কেন্দ্ৰীয় চৰকাৰে আইনখনৰ সন্দৰ্ভত গ্ৰহণ কৰা যিকোনো নীতি-নিয়মৰ বিষয়ে তাৎকালীনভাৱে উভয় সদনকে অৱগত কৰাব লাগিব।
- ৰাজ্য চৰকাৰসমূহেও কেন্দ্ৰীয় চৰকাৰৰ সৈতে হোৱা আলোচনামৰ্মে আইনখনৰ সন্দৰ্ভত নতুন নীতি গ্ৰহণ কৰিব পাৰিব।
- এনে নীতিৰ বিষয়ে ৰাজ্য চৰকাৰে তাৎকালীনভাৱে বিধানসভাক অৱগত কৰাব লাগিব।
- এই আইনৰ অধীনত হিতাধিকাৰীয়ে নিয়মিয়াকৈ খাদ্য-শস্যৰ যোগান লাভ নকৰিলে (যুদ্ধ, বানপানী, খৰাং, অগ্নিকাণ্ড, ঘূৰ্ণীবতাহ, ভূমিকম্প আদিৰ সময়ত প্ৰযোজ্য নহ'ব) কেন্দ্ৰীয় চৰকাৰ অথবা ৰাজ্য চৰকাৰক ইয়াৰ বাবে দায়বদ্ধ কৰিব পাৰিব।

■■

# পৰিশিষ্ট

ক্ষুধা নিবৃত্তিৰ ক্ষেত্ৰত নিসন্দেহে বিশ্বৰ ভিতৰতে আটাইতকৈ অভিলাষী আঁচনি হৈছে ভাৰতৰ খাদ্য সুৰক্ষা আইন। ৮১০ নিযুত লোক উপকৃত হ'ব বুলি আশা কৰা এই আইনৰ ৰূপায়ণৰ পিছত ভাৰতত কোনো শিশুৱে অনাহাৰত দিন কটাবলগীয়া নহয় বুলি দাবী কৰা হৈছে। বিশাল পৰিসৰৰ এই আঁচনিৰ সঠিক ৰূপায়ণৰ ক্ষেত্ৰত কেন্দ্ৰ, ৰাজ্য চৰকাৰৰ লগতে গাঁও পঞ্চায়ত, জাতীয় প্ৰশাসন, বেচৰকাৰী সংস্থা আৰু সাধাৰণ নাগৰিকো যথেষ্ট সজাগ হ'ব লাগিব। হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত ভাৰতৰ বিভিন্ন এলেকাত বাস কৰা লোকসকল (বিশেষকৈ জনজাতীয় লোক) যাতে বাদ পৰি নাযায় সেয়াও নিশ্চিত হ'ব লাগিব। এই আইনৰ এটা যোগাত্মক দিশ হৈছে ৰাজহুৱা বিতৰণ ব্যৱস্থা (পি ডি এছ)ৰ কিছু সংস্কাৰ সাধন। এই আইনৰ অধীনত পি ডি এছ ৰ জৰিয়তে নিশ্চিতভাৱে দেশৰ দৰিদ্ৰ শ্ৰেণীৰ লোকসকল উপকৃত হ'ব বুলি আশা কৰিব পাৰি। লক্ষনীয় যে দেশৰ এক তৃতীয়াংশ লোকৰ দৈনিক উপাৰ্জন এতিয়াও দৈনিক ২.২৫ ডলাৰতকৈ কম। এই সকলৰ লোকৰ বাবে তৃপ্তিৰে এসাজ ভাত খোৱাটোও বিলাসিতা স্বৰূপ। এইসকল লোকৰ বাবে খাদ্য সুৰক্ষা আইন নিসন্দেহে এক আশাৰ বতৰা। পিছে ভাৰতৰ দৰে এখন দুৰ্নীতিগ্ৰস্ত দেশত এই আইন কিমান স্বচ্ছতাৰে ৰূপায়ণ হয় তাৰ ওপৰতে নিৰ্ভৰ কৰিব এইসকল লোকৰ ভৱিষ্যত। দেশৰ আন বহুতো অভিলাষী আঁচনিৰ দৰে খাদ্য সুৰক্ষা আইনো যাতে এচাম অসাধু লোকৰ ধন লুণ্ঠনৰ মাধ্যম হৈ নপৰে সেয়া নিশ্চিত কৰাৰ দায়িত্ব মূলত চৰকাৰৰ যদিও এইক্ষেত্ৰত বেচৰকাৰী সংস্থা আৰু সচেতন নাগৰিকেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। সফলতাৰে ৰূপায়ণ কৰিব পাৰিলে নিসন্দেহে খাদ্য সুৰক্ষা আইন হ'ব দেশৰ দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ বাবে এক আশাৰ কথা।

■■

actionaid

2-B, Mandovi Apartments
Ambari, Guwhati - 781 001
Ph.: 0361-2638871 / 72
www.actionaid.org